**NSD NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 21-05-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ইটালীৰ খাদ্য আৰু কৃষি সংস্থাৰ এগ্ৰিক'লা পদক সন্মান লাভ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ শুভেচ্ছা জনাইছে।

২। কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে ত্ৰিপুৰা, অৰুণাচল প্ৰদেশ আৰু ছিকিমৰ ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ গুণগত মান আৰু ব্যৱস্থাপনাৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে।

৩। যোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশন আজিৰে পৰা অনুষ্ঠিত হৈছে।

৪। ৰাষ্ট্ৰীয় যক্ষ্মা নিয়ন্ত্ৰণ কাৰ্যসূচীৰ অধীনত ভাৰতে বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ পৰীক্ষণ আৰু আগতীয়া ৰোগ নিৰূপণৰ ব্যৱস্থা গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই প্ৰকাশ কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজিৰ এখন খেলত গুজৰাট টাইটানছ আৰু চেন্নাই ছুপাৰ কিংছ মুখামুখি হ'ব।

0000000

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইটালীৰ খাদ্য আৰু কৃষি সংস্থাৰ পৰা এগ্ৰিক'লা পদক সন্মান লাভ কৰাৰ বাবে তেওঁলৈ শুভেচ্ছা জনাইছে। এটা বাৰ্তাত শ্ৰীসিঙে কয় যে এই সন্মানে খাদ্য সুৰক্ষা, বহনক্ষম কৃষিৰ বিকাশ আৰু গ্ৰাম্য উন্নয়নৰ দিশত প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বক স্বীকৃতি দিছে। তেওঁ লগতে কয় যে কৃষক সবলীকৰণ আৰু কৃষি আন্তঃগাঁথনিৰ আধুনিকীকৰণৰ পৰা আৰম্ভ কৰি দৰিদ্ৰসকলৰ কল্যাণ নিশ্চিত কৰালৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কৃষিজাত পৰিবৰ্তনে বিশ্বজুৰি স্বীকৃতি লাভ কৰিছে।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী মোদীৰ ইটালী ভ্ৰমণকালত ৰোমত থকা খাদ্য আৰু কৃষি সংস্থাৰ মুখ্য কাৰ্যালয়ত কালি তেওঁক সন্মানীয় এগ্ৰিক'লা পদকেৰে সন্মানিত কৰা হয়। এই সন্মান গ্ৰহণ কৰি শ্ৰীমোদীয়ে দেশৰ লক্ষ লক্ষ কৃষক, পশুপালক, মীন পালক, কৃষি বিজ্ঞানী আৰু কৰ্মীসকলৰ প্ৰতি এই সন্মান উৎসৰ্গা কৰে।

000000000

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে ত্ৰিপুৰা, অৰুণাচল প্ৰদেশ আৰু ছিকিমৰ ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ গুণগত মান আৰু ব্যৱস্থাপনাৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। শ্ৰী গাডকাৰীয়ে যাত্ৰীসকলৰ সুবিধাৰ্থে যোগাযোগ ব্যৱস্থা সুচল কৰাৰ বাবে উন্নত ঘাইপথ তথা বহনক্ষমতা নিশ্চিত কৰিবলৈ উন্নত প্ৰযুক্তিৰ ব্যৱহাৰ আৰু সময়মতে কাম সম্পূৰ্ণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে বৰ্ষাকালৰ বাবে সুৰক্ষামূলক ব্যৱস্থাকে ধৰি সকলোধৰণৰ প্ৰস্তুতি নিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে সংবাদ মাধ্যম আৰু সামাজিক

মাধ্যমৰ জৰিয়তে লাভ কৰা তথ্যৰ ভিত্তিত তেওঁ এই ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ গুণগত মান আৰু ব্যৱস্থাপনাৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে।

নতুন দিল্লীত অনুষ্ঠিত এই বৈঠকত পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী অজয় তামটা আৰু হৰ্ষ মলহেট্ৰাকে ধৰি অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

ooooooooo

সাংবিধানিক পৰম্পৰা আৰু ভাষিক বৈচিত্ৰ্যৰে ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশন আজিৰে পৰা দিছপুৰত অনুষ্ঠিত হৈছে। বন্দে মাতৰম, ৰাষ্ট্ৰীয় সংগীত আৰু অসমৰ জাতীয় সংগীত পৰিৱেশনেৰে অধিৱেশনৰ কাম-কাজ আৰম্ভ হয়। ইয়াৰ পাছতে অস্থায়ী অধ্যক্ষ চন্দ্ৰমোহন পাটোৱাৰীয়ে অধ্যক্ষৰ আসন গ্ৰহণ কৰি নৱ-নিৰ্বাচিত বিধায়কসকলক শপতবাক্য পাঠ কৰোৱায়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰথমে শপত গ্ৰহণ কৰে।

ইয়াৰ পাছতে মন্ত্ৰী ৰামেশ্বৰ তেলী, অতুল বৰা আৰু অজন্তা নেওগে শপত লয়। বিধানসভাৰ অস্থায়ী অধ্যক্ষই বিধায়কসকলৰ ইচ্ছানুসাৰে নিজৰ মাতৃভাষাত শপত ল'ব পাৰে বুলি অনুমতি দিয়ে। মন্ত্ৰী চৰণ বড়োৱে বড়ো ভাষাত আৰু বিশ্বজিৎ দৈমাৰীয়ে সংস্কৃতত শপত লয়। কাৰ্বি আৰু কোচ ৰাজবংশী জনগোষ্ঠীৰ বিধায়ককেইগৰাকীকো নিজৰ মাতৃভাষাত শপত ল'বলৈ অনুমতি দিয়া হয়।

শাসনাধিষ্ঠিত এন ডি এ মিত্ৰজোঁটৰ মনোনীত প্ৰাৰ্থী তথা ভৱানীপুৰ সৰভোগ সমষ্টিৰ বিধায়ক ৰণজিৎ কুমাৰ দাস বিনা প্ৰতিদ্বন্দ্বিতাৰে বিধানসভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হৈছে। ৰঞ্জিত দাস হৈছে দ্বিতীয়বাৰৰ বাবে বিধানসভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হোৱা প্ৰথমগৰাকী বিধায়ক।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কাইলৈ সংবিধানৰ ১৭৬ (১) অনুচ্ছেদৰ অধীনত ভাষণ আগবঢ়াব। ইয়াৰ পাছতে ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ দিয়া হ'ব। ২৫ মে'ত ৰাজ্যপালৰ ভাষণৰ ওপৰত বিতৰ্ক অনুষ্ঠিত হ'ব। চাৰিদিনীয়া এই অধিৱেশনৰ ২৬ মে'ত অন্ত পৰিব। বিধানসভাত বিৰোধী দলপতি নিৰ্বাচন সন্দৰ্ভত এতিয়াও সিদ্ধান্ত গ্ৰহণ কৰা হোৱা নাই। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে কয়, যে এই সংক্ৰান্তত ৰাষ্ট্ৰীয় নেতৃত্বৰ সৈতে আলোচনা কৰা হৈছে আৰু শীঘ্ৰেই আনুষ্ঠানিক প্ৰক্ৰিয়া সম্পন্ন কৰি দলপতি বাছনি কৰা হ'ব।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু দক্ষিণ কোৰিয়াৰ পৰিক্ৰমা মন্ত্ৰী কুৱন ওহ-ইউলে আজি যুটীয়াভাৱে ছিউলৰ ইমজিঙাক পাৰ্কত ভাৰতীয় যুদ্ধ স্মাৰক উদ্বোধন কৰে। কোৰিয়ান যুদ্ধৰ ৭৫ সংখ্যক বাৰ্ষিকী উপলক্ষে স্মাৰক অনুষ্ঠানৰ অংশ হিচাপে এই স্মাৰকটো যুদ্ধৰ সময়ত ভাৰতীয় সেনা আৰু ভাৰতৰ প্ৰতিৰক্ষা বাহিনী ৬০ পেৰাফিল্ড এম্বুলেন্সৰ দ্বাৰা প্ৰদান কৰা সাহস, ত্যাগ আৰু মানৱীয় সেৱাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি হিচাপে নিৰ্মাণ কৰা হৈছে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কোৰিয়ান উপদ্বীপত শান্তি আৰু মানৱীয় সহায়ৰ ক্ষেত্ৰত ভাৰতৰ অৱদানৰ স্থায়ী উত্তৰাধিকাৰৰ ওপৰত আলোকপাত কৰে। তেওঁ কয় যে দুয়োখন ৰাষ্ট্ৰৰ অংশিদাৰী ইতিহাস আৰু ত্যাগে ভাৰত আৰু কোৰিয়া গণৰাজ্যৰ বিশেষ কৌশলগত অংশীদাৰিত্বৰ বাবে এক শক্তিশালী ভেটি হিচাপে কাম কৰি আহিছে। শ্ৰীসিঙে লগতে কয় যে ভাৰতীয় সেনাৰ ভূমিকাক স্মৰণ কৰাটোৱেই জনসাধাৰণৰ মাজত বুজাবুলি শক্তিশালী কৰাত সহায় কৰে। আৰু দুয়োখন দেশৰ মাজত থকা ঐতিহাসিক সম্পৰ্কৰ প্ৰতি নতুন দৃষ্টি আকৰ্ষণ কৰে। দক্ষিণ কোৰিয়াৰ পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কোৰিয়ান যুদ্ধৰ সময়ত ভাৰতে প্ৰদৰ্শন কৰা ভূমিকাৰ ভূয়সী প্ৰশংসা কৰে।

000000000

ৰাষ্ট্ৰীয় যক্ষ্মা নিয়ন্ত্ৰণ কাৰ্যসূচীৰ অধীনত ভাৰতে বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ পৰীক্ষণ আৰু আগতীয়া ৰোগ নিৰূপণৰ ব্যৱস্থা গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই প্ৰকাশ কৰিছে। জেনেভাত অনুষ্ঠিত বিশ্ব স্বাস্থ্য সন্মিলনৰ ৭৯ সংখ্যক অধিৱেশনত হাওঁফাওঁৰ স্বাস্থ্য পৰীক্ষা সন্দৰ্ভত মন্ত্ৰী পৰ্যায়ৰ দৃষ্টিকোণ শীৰ্ষক অনুষ্ঠানত ভাষণ দি শ্ৰী নাড্ডাই এইদৰে কয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে ভাৰতত ঘৰে ঘৰে গৈ, ম'বাইল স্ক্ৰীণিং দল, সমূদায় অভিযান আদি কাৰ্যসূচীৰ জৰিয়তে সক্ৰিয় যক্ষ্মা ৰোগীসকলক চিনাক্ত কৰা হয়। দেশত যক্ষ্মা ৰোগ চিনাক্তকৰণ আৰু অন্যান্য হাঁওফাওঁৰ ৰোগ ধৰা পেলোৱাৰ বাবে আধুনিক ব্যৱস্থা বিকশাই তোলা হৈছে বুলি শ্ৰী নাড্ডাই জানিবলৈ দিয়ে।

000000000

তামিলনাডুৰ মুখ্যমন্ত্ৰী চি যোচেফ বিজয় নেতৃত্বাধীন চৰকাৰে আজি মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কৰে। নতুন মন্ত্ৰীসভাত কংগ্ৰেছৰ দুগৰাকী সদস্যকে ধৰি ২৩গৰাকী নতুন সদস্যক অন্তৰ্ভুক্ত কৰা হৈছে। তামিলনাডুৰ মন্ত্ৰীসভাত ভাৰতীয় জাতীয় কংগ্ৰেছে ১৯৬৭ চনৰ পৰা প্ৰতিনিধিত্ব কৰি আহিছে। নতুন মন্ত্ৰীসভাত চাৰিগৰাকী মহিলা মন্ত্ৰীও আছে। আজি পুৱা লোক ভৱনত ৰাজ্যপাল বিশ্বনাথ আৰ্লেকাৰে নতুন সদস্যসকলক শপতবাক্য পাঠ কৰোৱায়। শপত গ্ৰহণ অনুষ্ঠানত নতুন চৰকাৰৰ প্ৰতি সমৰ্থন আগবঢ়োৱা দলসমূহৰ নেতাসকলো উপস্থিত থাকে। ৰাজ্যখনৰ মন্ত্ৰীসভাত বৰ্তমান মুখ্যমন্ত্ৰী চি যোচেফ বিজয়কে ধৰি মুঠ ৩২গৰাকী মন্ত্ৰী আছে।

0000000

পশ্চিমবংগৰ দক্ষিণ ছৌবিবশ পৰগনা জিলাৰ ফালটা বিধানসভা সমষ্টিত আজি পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। পুৱা ৭ বজাৰ পৰা অনুষ্ঠিত ভোটগ্ৰহণত দিনৰ ১১ বজালৈ ৪২ দশমিক ৮ - ৩ শতাংশ ভোটদান হৈছে। সন্ধিয়া ৬ বজাত ভোটগ্ৰহণৰ অন্ত পৰিব। উল্লেখযোগ্য যে যোৱা ২৯ এপ্ৰিলত অনুষ্ঠিত ভোটগ্ৰহণত সমষ্টিটোত ভোটদাতাক ভয় খুওৱা, ভোটকেন্দ্ৰৰ ভিতৰত অকতৃত্বশীল লোকৰ উপস্থিতি আৰু ভোটিং মেচিনত সম্ভাব্য খেলিমেলিকে ধৰি বিভিন্ন অনিয়মৰ ভালেমান তথ্য লাভ কৰাৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচন আয়োগে ফালটা বিধানসভা সমষ্টিত সম্পূৰ্ণৰূপে পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত কৰাৰ নিৰ্দেশ দিছিল। সমষ্টিটোত দুজন নিৰ্দলীয় প্ৰাৰ্থীকে ধৰি মুঠ ছজন প্ৰাৰ্থী আছে। তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী জাহাংগীৰ খানে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰাৰ কথা ঘোষণা কৰে।

0000000

অৰুণাচল প্ৰদেশৰ পাছিঘাটৰ উদ্যান শস্য আৰু বন বিজ্ঞান মহাবিদ্যালয়ত আজিৰেপৰা তিনিদিনীয়াকৈ উত্তৰ-পূৰ্বাঞ্চলত তৈল খেজুৰৰ দ্ৰুত বিকাশৰ বাবে কৌশলগত সমাধান শীৰ্ষক এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালা অনুষ্ঠিত হৈছে। উত্তৰ-পূবৰ পাৰ্বত্য অঞ্চলসমূহত তৈল খেজুৰৰ খেতিৰ দ্ৰুত সম্প্ৰসাৰণৰ বাবে কৌশলগত ব্যৱস্থা গ্ৰহণ তথা বনস্পতি তেলৰ উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হোৱাৰ বাবে ৰূপৰেখা প্ৰস্তুত কৰাৰ লক্ষ্যৰে এই কৰ্মশালাৰ আয়োজন কৰা হৈছে।

0000000

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে মণ্টেনেগ্ৰোৰ জনসাধাৰণ আৰু উপ-প্ৰধানমন্ত্ৰী তথা বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এৰভিন ইব্ৰাহিমভিকক স্বাধীনতা দিৱস উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে।

সামাজিক মাধ্যমৰ এটা পোষ্টত ড০ জয়শংকৰে কয় যে দুয়োখন ৰাষ্ট্ৰই বন্ধুত্বপূৰ্ণ সম্পৰ্ক আৰু অধিক সুদৃঢ় কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত গুজৰাট টাইটানছ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। গুজৰাট টাইটানছে ইতিমধ্যে প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ৰ বাবে যোগ্যতা অৰ্জন কৰাৰ বিপৰীতে আজিৰ খেলখনত জয়লাভৰ জৰিয়তে চেন্নাই ছুপাৰ কিংছে পইণ্ট তালিকাৰ চতুৰ্থ স্থানত উপনীত হোৱাৰ আপ্ৰাণ প্ৰয়াস চলাব।

প্ৰতিযোগিতাত যোৱা নিশা কলকাতা নাইট ৰাইডাৰ্ছে কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছক ৪ উইকেটত পৰাস্ত কৰে।

০০০০০০০

সমাপ্ত